# অসম বিধান সভা
# ২০২৬ চনৰ ১৫ জুলাইত উত্তৰ দিবলগীয়া
# লিখিত প্ৰশ্ন নং – ৩৮১

**বিষয়ঃ ডিগাৰু, কলং, কপিলী আৰু ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া ৰোধ।**

**ড° তপন দাস, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) ডিগাৰু, কলং, কপিলী আৰু ব্ৰহ্মাপুত্ৰৰ গৰাখহনীয়া ৰোধৰ বাবে কি স্থায়ী ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(খ) ডিমৰীয়া সমষ্টিৰ বানাক্ৰান্ত অঞ্চল সমূহত মথাউৰি শক্তিশালীকৰণৰ কামৰ বৰ্তমান অৱস্থা কি?

(গ) বানপানী নিষ্কাশনৰ বাবে নতুন ড্ৰেইনেজ ব্যৱস্থা নিৰ্মাণৰ কোনো পৰিকল্পনা আছেনে?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) ডিমৰীয়া সমষ্টিৰ অন্তৰ্গত ডিগাৰু, কলং আৰু ব্ৰহ্মাপুত্ৰ নদীৰ খহনীয়া নিয়ন্ত্ৰণৰ বাবে জলসম্পদ বিভাগে বহু সুৰক্ষামূলক আঁচনি গ্ৰহণ কৰিছে। গ্ৰহণ কৰা আঁচনিসমূহৰ তালিকা “**পৰিশিষ্ট-ক**”ত সংলগ্ন কৰা হ’ল।

খ) কলং নদীৰ মথাউৰি সৱলীকৰণৰ বাবে ২০২০-২১ বৰ্ষত RIDF XXVI ৰ অধীনত ১৫০.০০ লাখ টকাৰ “Strengthening of Kallong left bank embankment from Baghjap to Ganesh Hill from Ch.41st Km. to 42nd Km. at Bagibari area.” আৰু ২০১৯-২০ বৰ্ষত SDRF ৰ অধীনত ২২০.০০ লাখ টকাৰ “I/M to flood damage restoration of Kallong Left bank embankment from Bagjap to Ganesh Hill at Amrapathar and its adjoining area under Sonapur Revenue Circle under SDRF for the year 2019-20” শীৰ্ষক দুখন আঁচনিৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। কলং নদীৰ মথাউৰিৰ ওপৰৰ ২০.৬ কিঃমিঃ দৈৰ্ঘ্যৰ পথ বহল কৰা আৰু পকীকৰণ কৰাৰ কাম লোকনিৰ্মাণ বিভাগৰ দ্বাৰা সম্পূৰ্ণ কৰা হৈছে।

ডিমৰীয়া সমষ্টিৰ বানাক্ৰান্ত অঞ্চল সমূহত কলং আৰু ডিগাৰু নদীৰ মথাউৰি শক্তিশালীকৰণৰ বাবে দুটা আঁচনিৰ প্ৰাক্কলন ইতিমধ্যে প্ৰস্তুত কৰা হৈছে আৰু আঁচনি দুখনে 90th State TAC ৰ অনুমোদন লাভ কৰিছে। আঁচনিসমূহৰ সবিশেষ তলত উল্লেখ কৰা হ’ল -

1. Strengthening of R/B embankment of river Digaru from Ch 0.00m (NH 37) to 5th Km including anti-erosion measures at different reaches. (Estimated Amount – Rs.582.72 Lakh)
2. Anti-erosion measures to protect L/B embankment of river Kallong at Maloibari area. (Estimated Amount – Rs.1012.29 Lakh)

পুঁজিৰ উপলব্ধতা সাপেক্ষে আঁচনি দুখনৰ কাম কাৰ্যকৰী কৰিব পৰা হ'ব ।

গ) বানপানী নিষ্কাশনৰ বাবে জলসম্পদ বিভাগে প্ৰয়োজন অনুসৰি বিভিন্ন সময়ত ড্ৰেইনেজ ব্যৱস্থা নিৰ্মাণৰ কেইবাখনো আঁচনি কাৰ্যকৰী কৰিছে আৰু নতুন আঁচনিৰ পৰিকল্পনা কৰি আছে।

ডিমৰীয়া সমষ্টিৰ অন্তৰ্গত যোৰাবাট অঞ্চলৰ কৃত্ৰিম বানপানী নিষ্কাশন আৰু নতুন ড্ৰেইনেজ ব্যৱস্থা নিৰ্মাণৰ বাবে যোৰাবাটৰ পৰা হগ্ৰাপাৰ অঞ্চলত ৪৯৪.৯৭ লাখ টকাৰ "Improvement of Drainage Channel from Jorabat to Digaru River" শীৰ্ষক এখন আঁচনিৰ গুৱাহাটী উন্নয়ণ বিভাগৰ পৰা প্ৰশাসনিক অনুমোদন লাভ কৰা হৈছে আৰু আঁচনিখন জলসম্পদ বিভাগৰ জৰিয়তে ৰূপায়ণ কৰাৰ বাবে প্ৰয়োজনীয় নিবিদা ইতিমধ্যে আহ্বান কৰা হৈছে।

(প্ৰশ্ন উত্তৰৰ সৈতে **"পৰিশিষ্ট-ক"** অনলাইন যোগে **NeVA** পৰ্টেলত দাখিল কৰা হৈছে)

************************

DETAILS OF ANTI-EROSION WORKS TAKEN UP IN BRAHMAPUTRA, KALLONG AND DIGARU RIVER UNDER W.R. DEPARTMENT

| Sl. No. | HoA | Name of River | Name of Scheme | Sanctioned Amount (Rs. In lakhs) | Reach Length (in m) | Status |
|---|---|---|---|---|---|---|
| 1 | NIDA 2023-24 | Brahmaputra | Protection of Panikhaity area at Chandrapur from river Brahmaputra | 3310.00 | Geobag= 1455m | ongoing |
| 2 | SOPD-G 20-21 | Kallong | Protection of Borpak area from the erosion of river Kollong under SOPD-G | 199.50 | Geo bag= 80m | completed |
| 3 | SOPD-G 20-21 | | Restoration of damaged road cum bund along L/B of river Kollong at Borghuli area including other ancillary works under SOPD_G, 2020-21 | 198.84 | Geo bag= 35m | completed |
| 4 | RIDF XXVII 21-22 | Digaru | A/E measures to protecxt Elenga and its adjoining area from the erosion of river Digaru | 250.00 | Geo Bag= 454m | completed |
| 5 | SOPD-FDR 21-22 | | Anti erosion measures to protect right bank embankment of river Digaru from NH-37 to Paragoma area at different reaches | 490.00 | Geo bag= 866m | completed |

10/7/26

Chief Engineer
Water Resources Department
AWC, Basistha, Guwahati-29